# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-07-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌহাৰ্দ্যপূৰ্ণ সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ বিভিন্ন খণ্ডৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা।

২।	উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কাইলৈ পুৱাৰে পৰা উচ্ছেদ অভিযান চলোৱাৰ বাবে প্ৰশাসনৰ প্ৰস্তুতি সম্পূৰ্ণ।

৩।	স্বাধীনতা আন্দোলনৰ শক্তিশালী নেতা, অসাধাৰণ বাগ্মিতাৰ অধিকাৰী দেশভক্ত তৰুণৰাম ফুকনৰ পূণ্য তিথি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন।

৪।	বিশ্ব হেপাটাইটিছ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰ আয়োজন। *আৰু*

৫।	ভাৰতীয় যুৱ ডবা তাৰকা দিব্যা দেশমুখৰ ফিডে মহিলা বিশ্বকাপৰ চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌহাৰ্দ্যপূৰ্ণ সাক্ষাৎ কৰে। ড০ শৰ্মাই প্ৰধানমন্ত্ৰীৰ সৈতে ৰাজ্যৰ বিভিন্ন খণ্ডৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে। অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ অসম ভ্ৰমণৰ বাবে ৰাজ্যবাসীয়ে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ ৰাজ্যখনৰ উন্নয়নমুখী যাত্ৰাৰ আন এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে।

ড০ শৰ্মাই ইয়াৰ পাছত নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰে। তেওঁ গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কাৰ্যসূচীলৈ বিত্তমন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে বীৰাঙ্গনা কনকলতা বৰুৱালৈ উৎসৰ্গিত এই উচ্চ শিক্ষানুষ্ঠানখন সম্পূৰ্ণ ৰূপে উদ্যোগমুখী শৈক্ষিক দৃষ্টিভঙ্গীক লৈ নিৰ্মাণ কৰা হৈছে। এই বিশ্ববিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং আৰু ৰবটিক্সৰ দৰে বিশেষ পাঠ্যক্ৰম থাকিব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতেও ফলপ্ৰসূ বৈঠকত মিলিত হয়। তেওঁ অসমৰ খনিজ সম্পদৰ সম্ভাৱনাময় ক্ষেত্ৰখনৰ বিকাশৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। বৈঠকত মাৰ্ঘেৰিটাত ক'ল ইণ্ডিয়াৰ কাৰ্যসমূহ অধিক উৎপাদনক্ষম কৰি তোলাৰ বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয়।

০০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কাইলৈ পুৱাৰে পৰা উচ্ছেদ অভিযান চলোৱাৰ বাবে আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য

যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰী বিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক আজিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছিল। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাদিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৰত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। এই উচ্ছেদ অভিযান সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ ঃ

**ভইছ**

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে।

oooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অঞ্জনমণি কলিতা আৰু ৰাজেশ মজুমদাৰ, ন্যায়িক বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ কুমাৰ শৰ্মাক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰিছে।

oooo

বনভূমি অধিকাৰ আইন ২০০৬ৰ অধীনত বিশ্বনাথ জিলা প্ৰশাসনে আজি জিলাখনৰ বনভূমিত বসবাস কৰা দুহেজাৰ ১৪৫জন লোকক ভূমিস্বত্ব প্ৰমাণ-পত্ৰ বিতৰণ কৰে। বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজত এই উপলক্ষে অনুষ্ঠিত সভাত বিশ্বনাথৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল, বিধায়ক প্ৰমোদ বৰঠাকুৰকে ধৰি আন কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। মন্ত্ৰী অশোক সিংহলে তেওঁৰ ভাষণত কয় যে অসমৰ খিলঞ্জীয়া লোকসকলক সামাজিক আৰু সাংস্কৃতিক দিশত সুৰক্ষিত কৰিবলৈ বন অধিকাৰ আইন, ২০০৬ৰ অধীনত ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই আইনৰ জৰিয়তে চৰকাৰে খিলঞ্জীয়া লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবেও অহোপুৰুষাৰ্থ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে বন অধিকাৰ সমিতি গঠনৰ জৰিয়তে ক্ষেত্ৰ পৰ্যায়ত এই আইনৰ সঠিক ৰূপায়ণ নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। শ্ৰীসিংহলে আজি জিলাখনৰ সাকোঁমঠাত জলসিঞ্চন বিভাগে পুনৰনিৰ্মাণ কৰি উলিওৱা এখন শ্লুইচ গেট উদ্বোধন কৰে।

oooo

দেশৰ স্বাধীনতা আন্দোলনৰ এগৰাকী শক্তিশালী নেতা, অসাধাৰণ বাগ্মিতাৰ অধিকাৰী, লেখক, দেশভক্ত তৰুণৰাম ফুকনৰ পূণ্য তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা আন্দোলনলৈ আগবঢ়োৱা সেৱাৰ বাবে দেশভক্ত উপাধিৰে বিভূষিত ফুকনে মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনত ওতপ্ৰোতভাৱে জড়িত আছিল। অসম চৰকাৰৰ উদ্যোগত আজি এই মহান নেতা গৰাকীৰ পূণ্য তিথি **দেশভক্তি দিৱস** হিচাপে পালন কৰা হৈছে। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ ভৰলুমুখৰ তৰুণৰাম ফুকন উদ্যানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ জনতা ভৱনত দেশভক্তি দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত হয়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ফুকনৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া ভাষণত বহুমুখী প্ৰতিভাৰ অধিকাৰী নেতাগৰাকীৰ জীৱন পৰিক্ৰমা সোঁৱৰণ কৰে। তথ্য আৰু জনসংযোগ মন্ত্ৰী পিযুষ হাজৰিকাই এই অনুষ্ঠানত তৰুণৰাম ফুকনক স্মৰণ কৰি তেওঁৰ জীৱন সম্পৰ্কে

আলোকপাত কৰে। আজিৰ অনুষ্ঠানতে দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৱৰণত অনুষ্ঠিত দেশভক্তি কুইজ প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কৃত কৰা হয়। এই প্ৰতিযোগিতাত ৰাজ্যৰ লগতে কেৰালা, দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় এহেজাৰ ২০০ গৰাকী প্ৰতিযোগীৰে গঠিত মুঠ ৩৪৮ টা দলে অংশ লৈছিল। প্ৰাথমিক পৰ্যায়ত অনুষ্ঠিত লিখিত পৰীক্ষাৰ পৰা ছটা দলক চূড়ান্ত পৰ্যায়লৈ বাচনি কৰা হয়।

বজালী জিলাতো দেশভক্তি দিৱসৰ কাৰ্যসূচী লোৱা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে অংশ লৈ দিয়া ভাষণত নতুন প্ৰজন্মক ফুকনৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। তামুলপুৰ জিলাতো আজি দেশভক্তি দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ লগতে জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আজি আমিনগাওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত দেশভক্তি দিৱস পালন কৰা হয়। অনুষ্ঠানত আনন্দৰাম বৰুৱা ভাষা, কলা, সংস্কৃতি সন্থা অৰ্থাৎ এবিলেকৰ সহযোগী অধ্যাপক ড° ভাস্কৰ শৰ্মাই স্বাধীনতা আন্দোলনত ফুকনে কিদৰে নেতৃত্ব বহন কৰিছিল সেই বিষয়ে উল্লেখ কৰে। বৰপেটাত জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত জিলাখনৰ আইন মহাবিদ্যালয়ত আজি এই দিৱস পালন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই তৰুণৰাম ফুকনৰ দেশপ্ৰেম সন্দৰ্ভত বক্তৃতা আগবঢ়ায়।

ৰাজ্যৰ প্ৰায় আটাইকেইখন জিলাতে দেশভক্তি দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ধেমাজী জিলাত তথ্য আৰু জনসংযোগ বিভাগে দিনজোৰাকৈ এই কাৰ্যসূচী পালন কৰে। অনুষ্ঠানত মৰিধল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° কবিতা গগৈয়ে ভাষণ দিয়ে। লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ত আজি এই দিৱস পালন কৰা হয়। শোণিতপুৰ জিলাতো আজি দেশভক্তৰ স্মৃতিত শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ পূৰ্বৰ পৰীক্ষা নিয়ন্ত্ৰক ড° ভুৱনেশ্বৰ চহৰীয়াই বক্তৃতা দিয়ে। যোৰহাট জিলাতো আজি এই দিৱস উপলক্ষে কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফু আৱৰ্ত ভৱনত আৰু পশ্চিম কাৰ্বি আংলঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এই দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়।

oooo

বিশ্ব হেপাটাইটিছ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত এই দিৱস উপলক্ষে আজি চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলৰ মাজত এখনী আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনা কালত আজিৰে পৰা ৫ আগষ্টলৈ জিলাখনৰ প্ৰতিটো স্বাস্থ্য কেন্দ্ৰলৈ চিকিৎসাৰ বাবে অহা ৰোগীসকলক হেপাটাইটিছ ৰোগৰ পৰীক্ষা কৰাৰ লগতে তেওঁলোকৰ মাজত এই ৰোগ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। জিলাখনত বৰ্তমানলৈকে চাৰিগৰাকী হেপাটাইটিছ ৰোগীক চিনাক্ত কৰা হৈছে।

গুৱাহাটী মহানগৰীৰ সাতগাঁৱৰ নগৰীয়া ৰাজ্যিক চিকিৎসালয়ত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত বিশ্ব হেপাটাইটিছ দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত মুখ্য অতিথি হিচাপে অংশ লৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন সঞ্চালক ডাঃ লক্ষ্মণন এছে এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে।

বজালী জিলাত এই দিৱস উপলক্ষে মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত অংশ লৈ মহকুমা স্বাস্থ্য বিষয়া ডাঃ চক্ৰপাণি শৰ্মাই কয় যে হেপাটাইটিছ বি আৰু চিত আক্ৰান্ত ৰোগীয়ে শংকিত হোৱাৰ পৰিৱৰ্তে সতৰ্কতা আৰু সাৱধানতা অৱলম্বন কৰিলে এই ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰিব।

oooo

দেশ বুলিলে আদেশ নালাগে বুলি কোৱা, প্ৰতিটো কাম প্ৰতিটো চিন্তাৰে স্বদেশৰ শইচ সোণোৱালী ভৱিষ্যতৰ সপোন ৰচা, সুগন্ধি পখিলাৰ কবি বীৰেণ ভট্টাচাৰ্য্যৰ আজি ওপজা দিন। মৃত্যুৰ মাজতো শৈল্পিক

ৰূপৰ সন্ধান কৰা কবিগৰাকীৰ  কবিতাত সাৱলীল ৰূপত মূৰ্ত হৈছিল শাশ্বত প্ৰেম, বিপ্লৱ, বঞ্চিতজনৰ হাহাকাৰ, আবেগ, প্ৰকৃতি আৰু জীৱনৰ অপাৰ ৰহস্যময়তা। কবিকণ্ঠত এয়া তেওঁৰ কবিতা ঃ

ভইছ

অসমীয়া ভাষাত ১৩ খন কাব্যগ্ৰন্থ আৰু বঙালী ভাষাত দুখনকৈ কাব্যপুথি অনুদিত হোৱা কবিগৰাকীৰ ১৯৯২ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত হৈছিল। প্ৰেম আৰু ৰ'দালিৰ কবি বুলিও পৰিচিত কবিগৰাকীৰ কবিতাৰ নিৰ্মেদ শব্দচয়নে পাঠকক সদায় আলোড়িত কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কবিগৰাকীৰ ওপজা দিন উপলক্ষে আজি তেওঁৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীসোণোৱালে কয় যে তেওঁৰ কাব্য চেতনা আৰু অতুলনীয় সৃষ্টিৰাজিয়ে অসমীয়া ভাষা সাহিত্যৰ ভড়াল সমৃদ্ধ কৰি গৈছে। হীৰেণ ভট্টাচাৰ্যৰ ওপজা দিন উপলক্ষে হীৰেণ ভট্টাচাৰ্য ন্যাসৰ উদ্যোগত গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত আজি সন্ধিয়া এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ড০ মাধৱ বৰা, ডাঃ ৰণজিৎ বৰুৱা আৰু বীৰেন সিংহই কবিগৰাকীৰ স্মৃতিচাৰণ কৰে। অনুষ্ঠানত যশস্বী শিল্পী ড০ শান্তনা বৰদলৈ, পুলক বেনাৰ্জী, ৰুবি সিংহ, মনোজোৎস্না মহন্ত আৰু অৰ্ঘদীপ বৰুৱাই কবিগৰাকীৰ গীত আৰু কবিতা পৰিৱেশন কৰিব।

০০০০

অসম আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযানত বৃহৎ সাফল্য লাভ কৰিবলৈ সমৰ্থ হৈছে। কাছাৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই ২০ হাজাৰ য়াবা টেবলেট জব্দ কৰে। এই টেবলেটখিনিৰ বজাৰমূল্য ৬ কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই সংক্ৰান্তত দুজন লোকক আটক কৰিছে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত বিগত কিছুদিন ধৰি পৰিস্থিতি উত্তপ্ত হৈ পৰিছে। আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনোৱা মতে আজি অসমৰ সীমাৰ খেতিপথাৰ বিনষ্ট কৰিবলৈ অহা কেইবাজনো লোকক গাঁওবাসীয়ে খেদি পঠিয়ায়। বিগত কেইবাদিনো ধৰি অসম-মেঘালয় সীমান্তৱৰ্ত্তী টাপাত আৰু লাংকেৰয় গাঁৱৰ পথাৰত মেঘালয়ৰ দুৰ্বৃত্তই ধানখেতি উভালি তহিলং কৰাৰ লগতে দুটাকৈ জিৰণি ঘৰ জ্বলাই দিয়ে। আজি পৰিস্থিতিৰ বুজ ল'বলৈ যোৱা কাৰ্বি ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ ওপৰত মেঘালয়ৰ দুৰ্বৃত্তই কেটেপাৰে আক্ৰমণ কৰাত গাওবাসীয়ে তেওঁলোকক সীমান্ত অঞ্চলৰ পৰা খেদি পঠিয়ায়। ইপিনে, দুৰ্বৃত্তই শনিবাৰৰ নিশা সীমাৰ স্তম্ভ ভাঙি দিয়াৰ ফলত পৰিস্থিতি পুনৰ উত্তপ্ত হৈ পৰে। সীমান্ত অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে।

০০০০

ভাৰতীয় যুৱ ডবা তাৰকা দিব্যা দেশমুখে দেশৰেই কনেৰু হাম্পিক পৰাজিত কৰি ফিডে মহিলা বিশ্বকাপ ২০২৫ ৰ চূড়ান্ত  বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। জৰ্জিয়াৰ বাটুমিত কালি আৰু পৰহি অনুষ্ঠিত ফাইনেলৰ দুয়োখন গেম ড্ৰ' হোৱাৰ পাছত আজি বিয়লি দুয়োগৰাকী খেলুৱৈৰ মাজত টাইব্ৰেকাৰৰ খেল অনুষ্ঠিত হয়। টাইব্ৰেকাৰৰ প্ৰথমখন ৰেপিড খেল ড্ৰ' হোৱাৰ পাছত দ্বিতীয়খন ৰেপিড খেলত দিব্যাই তেওঁৰ খেলুৱৈ জীৱনৰ আদৰ্শ কনেৰু হাম্পিক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। উল্লেখযোগ্য যে ই বিজয়ৰ লগে লগে দিব্যা গ্ৰেণ্ড মাষ্টাৰ উপাধী অৰ্জন কৰিবলৈ সমৰ্থ হোৱা চতুৰ্থগৰাকী ভাৰতীয় মহিলা ৰূপে পৰিগণিত হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃ